# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 08-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ মাজত আজি কোৱালালামপুৰত অনুষ্ঠিত এখন বৈঠকত প্ৰতিৰক্ষা আৰু সুৰক্ষামূলক সহযোগিতাৰ সম্পৰ্কক ধৰি বিভিন্ন বিষয়ত গুৰুত্ব আৰোপ কৰা হয়।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰাক্তন ৰাষ্ট্ৰপতি ড° জাকিৰ হুছেইনৰ জন্মবাৰ্ষিকী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধা নিৱেদন কৰিছে।

৩। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত আয়োজিত এখন সংবাদমেলত সাংসদ গৌৰৱ গগৈক পাকিস্তানী এজেণ্ট বুলি অভিহিত কৰিছে।

৪। বাংলাদেশৰ প্ৰাক্তন মন্ত্ৰী তথা আৱামি লীগৰ জ্যেষ্ঠ নেতা ৰমেশ চন্দ্ৰ সেনৰ কাৰাৰুদ্ধ অৱস্থাত দেহাৱসান ঘটিছে।

*আৰু*

৫। স্পেইনৰ আলিকাণ্টেত অনুষ্ঠিত বক্সাম এলিট ইণ্টাৰনেচনেল বক্সিং প্ৰতিযোগিতাত লাভলীনা বৰগোহাঁইয়ে ৭৫ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কোৱালালামপুৰত মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। দুয়োগৰাকী নেতাৰ মাজৰ এই আলোচনাত প্ৰতিৰক্ষা আৰু সুৰক্ষামূলক সহযোগিতাৰ সম্পৰ্কৰ লগতে অৰ্থনৈতিক আৰু উদ্ভাৱণৰ দিশত সহযোগিতাৰ বিষয়তো গুৰুত্ব আৰোপ কৰা হয়। প্ৰধানমন্ত্ৰী দুগৰাকীৰ এই আলোচনাৰ সময়ত উভয় পক্ষৰ মাজত দুৰ্যোগ ব্যৱস্থাপনা, দৃশ্য-শ্ৰাব্য মাধ্যমৰ বাবে যৌথ প্ৰযোজনা, ছমি কণ্ডাক্টৰ আৰু সুৰক্ষাকে ধৰি বিভিন্ন দিশ সামৰি কেইবাখনো বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত হয়।

প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ইয়াৰ ফলত দুয়োপক্ষৰ মাজত সন্ত্ৰাসবাদ বিৰোধী পদক্ষেপ, চোৰাংচোৱাৰ তথ্যৰ আদান-প্ৰদান সামুদ্ৰিক নিৰাপত্তা আৰু প্ৰতিৰক্ষাৰ দৰে বিষয়সমূহত সহযোগিতা বৃদ্ধি পাব। সন্ত্ৰাসবাদৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি স্পষ্ট বুলি উল্লেখ কৰি তেওঁ কয়, যে দেশখনে এই বিষয়ত কোনো ধৰনে আপোচ নকৰাৰ লগতে দুমুখীয়া নীতি গ্ৰহণ নকৰে। দেশ দুখনৰ মাজত শক্তি, আন্তঃগাঁথনি, উৎপাদন আৰু ডিজিটেল অৰ্থনীতিৰ দৰে ক্ষেত্ৰসমূহত সহযোগিতা বৃদ্ধি পাইছে বুলি মতপ্ৰকাশ কৰি শ্ৰীমোদীয়ে লগতে কয়, যে কৃত্ৰিম বুদ্ধিমত্তা, ছেমি কণ্ডাক্টৰ, স্বাস্থ্য আৰু খাদ্য সুৰক্ষাৰ লেখীয়া ক্ষেত্ৰসমূহতো দেশ দুখনৰ মাজৰ সম্পৰ্ক ক্ৰমান্বয়ে অধিক গভীৰ হৈ উঠিব।

আজিৰ সামৰণিৰ দিনটোৰ কাৰ্যসূচীত প্ৰধানমন্ত্ৰীয়ে দেশখনৰ বিভিন্ন বাণিজ্যিক প্ৰতিষ্ঠানৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে আলোচনা কৰাৰ লগতে মালয়েছিয়াত থকা ভাৰতীয় সেনাৰ প্ৰাক্তন সৈনিক আৰু দেশখনৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধিবৰ্গৰ সৈতেও মত বিনিময় কৰে।

উল্লেখযোগ্য যে, দুদিনীয়া ভ্ৰমণসূচীৰে মালয়েছিয়ালৈ যোৱা প্ৰধানমন্ত্ৰী মোদীয়ে যোৱানিশা কোৱালালামপুৰৰ Mines Exibition & Convection Centreত আয়োজিত এটা অনুষ্ঠানত দেশখনত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলক উদ্দেশ্যি ভাষণ দিয়ে। প্ৰায় ১৫ হাজাৰ লোকৰ এই সমাৱেশত ভাষণ দি শ্ৰীমোদীয়ে ভাৰত আৰু মালয়েছিয়াৰ মাজৰ গভীৰ সম্পৰ্কৰ বিষয়ে আলোকপাত কৰে আৰু প্ৰৱাসী ভাৰতীয়সকলক দুয়োখন দেশক হৃদয়েৰে সংযুক্ত কৰা জীৱন্ত সেঁতু বুলি অভিহিত কৰে। মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহীমৰ সৈতে থকা নিজৰ পুৰণি বন্ধুত্বৰ কথা সুঁৱৰী শ্ৰীমোদীয়ে কয়, যে তেওঁ যোৱা বছৰ আছিয়ান শীৰ্ষ সন্মিলনত ভাগ ল'ব নোৱাৰাৰ পাছত মালয়েছিয়া ভ্ৰমণলৈ অহাৰ প্ৰতিশ্ৰুতি দিছিল আৰু এতিয়া সেই প্ৰতিশ্ৰুতি পূৰণ কৰিলে। ভাৰত আৰু মালয়েছিয়াই ২০২৪ বৰ্ষত দুয়ো দেশৰ মাজত সম্পৰ্কক কৌশলগত সম্পৰ্কলৈ উন্নীত কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে উভয় দেশে হাতত হাত ধৰি আগবাঢ়ি গৈছে পৰস্পৰৰ সফলতা উদযাপন কৰি আহিছে। ভাৰতৰ প্ৰগতিয়ে মালয়েছিয়া আৰু এছিয়াৰ বিকাশত অৰিহণা যোগায় বুলি শ্ৰীমোদীয়ে মতপ্ৰকাশ কৰে। অৰ্থনৈতিক সহযোগিতাত গুৰুত্ব আৰোপ কৰি শ্ৰীমোদীয়ে কয়, যে শতাধিক ভাৰতীয় তথ্য প্ৰযুক্তি কোম্পানীয়ে মালয়েছিয়াত কাম কৰি আছে আৰু ইয়াৰ ফলত দেশখনত কৰ্মসংস্থাপনৰ ন ন সুযোগ সৃষ্টি হৈছে। মালয়েছিয়াত শীঘ্ৰে ভাৰতৰ ডিজিটেল ধনাদায় মঞ্চ ইউ পি আই মুকলি কৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে।

00000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰাক্তন ৰাষ্ট্ৰপতি ডঃ জাকিৰ হুছেইনৰ জন্মবাৰ্ষিকী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধা নিৱেদন কৰিছে। ৰাষ্ট্ৰপতি ভৱনত আজি প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ জন্মবাৰ্ষিকী পালন কৰা হয়। ১৮৯৭ চনৰ ৮ ফেব্ৰুৱাৰীত হায়দৰাবাদত জন্মগ্ৰহণ কৰা ডঃ হুছেইনে ১৯৬৭ চনৰ ১৩ মে'ৰ পৰা ১৯৬৯ চনৰ ৩ মে'ত তেওঁৰ মৃত্যু পৰ্যন্ত তৃতীয়গৰাকী ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

00000000

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈক এগৰাকী পাকিস্তানী এজেণ্ট বুলি অভিযোগ কৰিছে। আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংসদ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানৰ নাগৰিক আলি তৌকিৰ শ্বেখ নামৰ এজন লোকৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে বুলি অভিযোগ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, এই সম্পৰ্কে তেওঁৰ হাতত ভালেমান প্ৰমাণ আছে। অসম আৰক্ষীৰ দ্বাৰা গঠিত এছ আই টিৰ প্ৰতিবেদনৰ আধাৰত চি আই ডিত এই সম্পৰ্কত এটা গোচৰো ৰুজু কৰা হৈছে বুলি তেওঁ কয়। বিষয়টোৰ গুৰুত্বলৈ লক্ষ্য ৰাখি এই প্ৰতিবেদন কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। এছ আই টিৰ প্ৰতিবেদনৰ আধাৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাই যোৱা সময়ছোৱাত সাংসদ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তান ভ্ৰমণ আৰু পাকিস্তানৰ নাগৰিকৰ সৈতে কৰা যোগাযোগৰ কেতবোৰ গুৰুত্ব পূৰ্ণ তথ্য সংবাদমেলত সদৰি কৰে।

00000000

কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ বৰ্ড চি বি ডি টিয়ে আয়কৰ আইন-২০২৫ ৰ অধীনত প্ৰস্তাৱিত আয়কৰ নিয়ম আৰু প্ৰ-পত্ৰ সম্বন্ধে অংশীদাৰসকলৰ পৰা পৰামৰ্শ আহ্বান কৰিছে। যোৱা বছৰ ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ

কৰা আয়কৰ আইন, চলিত বছৰৰ পহিলা এপ্ৰিলৰ পৰা প্ৰযোজ্য হ'ব। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি চূড়ান্ত অধিসূচনা জাৰি কৰাৰ পূৰ্বে প্ৰস্তাৱিত আয়কৰ আইন আৰু প্ৰ-পত্ৰসমূহ চৰকাৰী ৱেব ছাইট incometaxindia.gov.in. ত আপলোড কৰা হৈছে। ভাষা সৰল কৰা, মোকৰ্দ্দমা হ্ৰাস কৰা, অনাৱশ্যকীয় আৰু অপ্ৰচলিত নিয়ম আৰু প্ৰ-পত্ৰসমূহ চিনাক্তকৰণ আদি সন্দৰ্ভত পৰামৰ্শ বিচৰা হৈছে।

oooooooo

বাংলাদেশৰ প্ৰাক্তন মন্ত্ৰী তথা আৱামি লীগৰ জ্যেষ্ঠ নেতা ৰমেশ চন্দ্ৰ সেনৰ ডিনাজপুৰ জিলা কাৰাগাৰত বন্দী হৈ থকা অৱস্থাত কালি পুৱা দেহাৱসান ঘটে। ৮৫ বছৰ বয়সীয়া প্ৰাক্তন মন্ত্ৰীগৰাকীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত দেশখনত কাৰাবন্দী অৱস্থাত থকা জ্যেষ্ঠ নাগৰিকৰ চিকিৎসা তথা স্বাস্থ্য সেৱাৰ বিষয়টোক লৈ পুনৰ প্ৰশ্ন উত্থাপিত হৈছে। কাৰাগাৰ আৰু চিকিৎসালয়ৰ বিষয়াৰ উদ্ধৃতিৰে আকাশবাণীৰ ঢাকাৰ সংবাদদাতাই প্ৰকাশ কৰা মতে, বাংলাদেশৰ জলসম্পদ দপ্তৰৰ প্ৰাক্তন মন্ত্ৰীগৰাকী কাৰাৰুদ্ধ অৱস্থাত কালি পুৱা অসুস্থ হৈ পৰাৰ পাছত প্ৰায় ৯ বাজি ১০ মিনিটত তেওঁক ডিনাজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ জৰুৰী বিভাগত ভৰ্তি কৰোৱা হয়। চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ মাত্ৰ ১৯ মিনিট পাছতেই পুৱা ৯ বাজি ২৯ মিনিটত চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে।

ডিনাজপুৰ জিলা কাৰাগাৰৰ অধীক্ষক ফাৰহাদ চৰকাৰে প্ৰাক্তন মন্ত্ৰীগৰাকীৰ মৃত্যুৰ বাতৰিটো নিশ্চিত কৰি কয়, যে আইনী আনুষ্ঠানিকতা সম্পন্ন হোৱাৰ পাছত তেওঁৰ মৃতদেহ পৰিয়ালৰ লোকক গতাই দিয়া হ'ব। নেতাগৰাকী চিকিৎসকৰ নিয়মীয়া তত্বাৱধানত আছিল নে নাই অথবা কাৰাৰুদ্ধ অৱস্থাত আকস্মিকভাৱে তেওঁৰ স্বাস্থ্যৰ অৱস্থাৰ অৱনতি ঘটাৰ কাৰণ কি সেই সন্দৰ্ভত কৰ্তৃপক্ষই এতিয়াও কোনো কথা প্ৰকাশ কৰা নাই।

উল্লেখযোগ্য যে, ঠাকুৰগাঁও ১ সদৰ সমষ্টিৰ পৰা পাঁচবাৰৰ বাবে সাংসদ হিচাপে নিৰ্বাচিত ৰমেশ চন্দ্ৰ সেনক বিগত বৰ্ষৰ ১৬ আগষ্টত তেওঁৰ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছিল। ইয়াৰ পূৰ্বে ৫ আগষ্টত দেশখনত আৰম্ভ হোৱা ৰাজনৈতিক অস্থিৰতাৰ পৰৱৰ্তী সময়ত তেওঁৰ বিৰুদ্ধে একাধিক গোচৰ ৰুজু কৰা হৈছিল। চিকিৎসালয়ৰ সূত্ৰ আৰু আৱামী লীগৰ নেতৃবৰ্গই প্ৰকাশ কৰা মতে, বয়সজনিত বিভিন্ন ৰোগত আক্ৰান্ত প্ৰাক্তন মন্ত্ৰীগৰাকী গ্ৰেপ্তাৰ হোৱাৰ সময়ৰ পৰাই অসুস্থতাত ভুগি আছিল। এনে প্ৰেক্ষাপটত অশীতিপৰ নেতা এগৰাকীক কাৰাবন্দী কৰি ৰখাৰ সিদ্ধান্ত তথা তেওঁক উপযুক্ত চিকিৎসা প্ৰদানৰ ব্যৱস্থাকলৈ প্ৰশ্ন উত্থাপিত হৈছে।

oooooooo

ভাৰতীয় নৌ সেনাবাহিনীৰ প্ৰশিক্ষণ জাহাজ আই এন এছ সুদৰ্শনীয়ে ওমানৰ ছালালাহত নিজৰ প্ৰথমটো বন্দৰ ভ্ৰমণ কাৰ্যসূচীৰ সামৰণি মাৰিছে। এই যাত্ৰাই ভাৰত আৰু ওমানৰ মাজৰ ঐতিহাসিক সামুদ্ৰিক সম্বন্ধৰ বিষয়ে আলোকপাত কৰাৰ লগতে দুয়োখন ৰাষ্ট্ৰৰ নৌ সেনাবাহিনীৰ মাজৰ মিত্ৰতা শক্তিশালী কৰাৰ পথ প্ৰশস্ত কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, এই যাত্ৰা জাহাজখনৰ ১০মহীয়া সমুদ্ৰ যাত্ৰা লোকায়ন-২৬ৰ মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। এই যাত্ৰাৰ লক্ষ্য আছিল ভাৰতৰ চহকী সামুদ্ৰিক ঐতিহ্য আৰু বসুধৈৱ কুটুম্বকম নীতিৰ বৈশিষ্ট্য সমগ্ৰ বিশ্বতে প্ৰদৰ্শন কৰা।

oooooooo

স্পেইনৰ আলিকাণ্টেত অনুষ্ঠিত বক্সাম এলিট ইণ্টাৰনেচনেল বক্সিং প্ৰতিযোগিতাত লাভলীনা বৰগোহাঁইয়ে ৭৫ কিলোগ্ৰাম শাখাত  সোণৰ পদক লাভ কৰিছে। অসমৰ অলিম্পিক পদক জয়ী তাৰকা

খেলুৱৈগৰাকীয়ে প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ মেৰী স্মিথক পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে। কালি অনুষ্ঠিত  ছেমিফাইনেলত লাভলীনাই- ৰেলছৰ ৰজি একল্ছক  ৫-০ পইণ্টত পৰাস্ত কৰে।

০০০০০০০০

**অপেন মাষ্টাৰ্ছ গেমছ আবু ধাবি ২০২৬** হিচাপে পৰিচিত দক্ষিণ এছিয়াৰ বৃহৎ ক্ৰীড়া প্ৰতিযোগিতা **আবু ধাবি মাষ্টাৰ্ছ ২০২৬** কালি আৰম্ভ হৈছে। ৩০ বছৰ আৰু তাতকৈ অধিক বয়সৰ এথলীটে অংশগ্ৰহণ কৰা এই ১০ দিনীয়া ক্ৰীড়া প্ৰতিযোগিতাত মুঠ কুৰি বিধ খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। জায়েড স্পৰ্টছ চিটী ষ্টেডিয়ামত কালি উদ্বোধনী সমাৰোহ সম্পন্ন হোৱা এই ক্ৰীড়া প্ৰতিযোগিতাত ৯২ খনতকৈও অধিক সংখ্যক দেশৰ ২৫ হাজাৰৰো অধিক খেলুৱৈয়ে ভাগ লৈছে। উল্লেখযোগ্য যে, এই প্ৰতিযোগিতা হ'ল দক্ষিণ এছিয়াত অনুষ্ঠিত বিভিন্ন খেলৰ ৩০ বছৰৰ উৰ্ধৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰা প্ৰথমখন বৃহৎ ক্ৰীড়া প্ৰতিযোগিতা। এই প্ৰতিযোগিতা ৩০ বছৰ বয়সৰ উৰ্ধৰ সকলো ধৰণৰ তথা যিকোনো ধৰণৰ দক্ষতা তথা সামৰ্থ্য থকা খেলুৱৈসকলৰ বাবে মুকলি।

উল্লেখযোগ্য যে, পৰম্পৰাগত আৰু আন্তঃৰাষ্ট্ৰীয় মানৰ অলিম্পিক আৰ্হিৰ খেলৰ সমন্বয়েৰে আয়োজিত এই প্ৰতিযোগিতাত ঊটৰ দৌৰ আৰু ঘোঁৰা দৌৰকে ধৰি কেইবাবিধো পৰম্পৰাগত খেলৰ লগতে অত্যাধুনিক খেলৰ প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। অহা ১৪ ফেব্ৰুৱাৰীলৈ আয়োজিত এই প্ৰতিযোগিতাৰ সামৰণী অনুষ্ঠান ১৫ ফেব্ৰুৱাৰীত হুডেৰিয়াট দ্বীপত অনুষ্ঠিত হ'ব।

০০০০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত আফগানিস্তানে নিউজিলেণ্ডক জয়ৰ বাবে ১৮৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। এম এ ছিদাম্বৰত অনুষ্ঠিত খেলখনত নিউজিলেণ্ডে আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ৯ অভাৰ দুটা বলত তিনিটা উইকেট হেৰুৱাই ৮৮ ৰান সংগ্ৰহ কৰিছে। প্ৰথম বেট ধৰাৰ সিদ্ধান্ত লৈ আফগানিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৮২ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ গুলবাদিন নাইবে ৬৩ ৰান কৰে।

০০০০০০০০

সমাপ্ত